**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2025
**Time :** 17-15 HRS

## *Assamese Evening Bulletin*

-------------------

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ তদন্তকাৰী দল এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে বুলি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে অতি সোনকালেই অভিযোগনামা আদালতত দাখিল কৰা হ'ব। এছ আই টিয়ে বৰ্তমানলৈকে ৭৫ জন ব্যক্তিৰ জবানবন্দী গ্ৰহণ কৰা বুলি তেওঁ প্ৰকাশ কৰে।

গৰিমা গাৰ্গে আজি গুৱাহাটীৰ ব্ৰহ্মপুত্ৰত শিল্পী জুবিন গাৰ্গৰ চিতাভস্ম বিসৰ্জন দিয়ে। চিতাভস্ম বিসৰ্জনৰ সময়ত শিল্পীগৰাকীৰ পত্নী যথেষ্ট আবেগিক হৈ পৰে। যোৰহাটতো আজি জুবিন গাৰ্গৰ চিতাভস্ম বিসৰ্জন দিয়ে। এছ ডি আৰ এফে চিতাভস্ম দিয়া কাৰ্য তদাৰক কৰে।

কালি নিশা জুবিনক্ষেত্ৰত গৰিমা শইকীয়া গাৰ্গ উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে পৰহিলৈ মুক্তি পাবলগীয়া জুবিন গাৰ্গৰ বহু প্ৰত্যাশিত ছবি **ৰৈ ৰৈ বিনালে** সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ উল্লেখ কৰে যে **ৰৈ ৰৈ বিনালে** ছবিখন জুবিন গাৰ্গৰ নহয়, এয়া অসমবাসীৰ সপোন। জুবিন গাৰ্গৰ সপোনক বাস্তৱায়িত কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিছো বুলি তেওঁ উল্লেখ কৰে।

০০০০০

২০২০ চনৰ বড়ো চুক্তিৰ সকলো দফা ৰূপায়ণৰ দাবীৰে  আজি নিখিল বড়ো ছাত্ৰ সন্থা, এবছুৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কোকৰাঝাৰত বডোফা শিশু উদ্যানৰ পৰা প্ৰতিবাদকাৰীসকলে কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰলৈ সমদল উলিয়ায়। এবছুৱে কোকৰাঝাৰ জিলা আয়ুক্তৰ জৰিয়তে কেন্দ্ৰীয় গৃহমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আবছুৰ সভাপতি দীপেন বড়োৱে সাংবাদিকৰ আগত সংসদৰ শীতকালীন অধিৱেশনত ১২৫ সংখ্যক সংবিধান সংশোধনী বিধেয়কত অনুমোদন জনাবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনায়।

চিৰাং জিলাতো নিখিল বড়ো ছাত্ৰ সন্থাৰ জিলা গোটৰ উদ্যোগত কাজলগাঁও বজাৰৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰতিবাদী সমদল উলিওৱা হয়। ছাত্ৰ সংগঠনটোৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীৰ নেতৃত্বত উলিওৱা প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে  বি টি আৰ চুক্তিৰ বাকী থকা প্ৰধান দফাসমূহ পূৰণ কৰিবলৈ চৰকাৰৰ প্ৰতি দাবী জনোৱা হয়।

বাইট (খনীন্দ্ৰ)

আবছুৱে উত্থাপন কৰা দাবীসমূহৰ ভিতৰত – সংবিধানৰ ২৮০ নম্বৰ অনুচ্ছেদৰ সংশোধন, বি টি চিৰ বাহিৰত থকা বড়ো-কছাৰী লোকসকলৰ বাবে গঠিত স্বায়ত্ত শাসিত পৰিষদক পূৰ্ণ পৰ্যায়ৰ স্বীকৃতি প্ৰদান, বি টি আৰৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ, শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ পৰা অতিৰিক্ত গাঁও বি টি আৰত অন্তৰ্ভুক্তিকৰণ, বন অধিকাৰ আইন-২০০৬ৰ অধীনত জনজাতীয় লোকক ভূমিপট্টা প্ৰদান আদিও আছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীত অভিযুক্ত ৪ জনৰ অগ্ৰিম জামিন আজি নাকচ কৰে। নিযুক্তি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত অভিযুক্ত গৌতম গগৈ, নয়নমণি পামেগাম, মনালিচা গোস্বামী আৰু প্ৰাঞ্জল বৰাই অগ্ৰিম জামিন বিচাৰি আবেদন কৰিছিল।

০০০০০

অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত আজি গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত মানৱ সৰবৰাহ বিৰোধী এখন সজাগতা সভানুষ্ঠিত হয়। সভাত গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ তিমুং, অতিৰিক্ত আৰক্ষী অধীক্ষক ঋতুৰাজ দলে, জিলা আইন সেৱা প্ৰাধীকাৰী সচিব জাহ্নৱী দেৱীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চলত অহা ২ নৱেম্বৰৰ পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰী কৰিব পাৰিব। ইয়াৰ বাবে বনাঞ্চলখনৰ মূল প্ৰৱেশদ্বাৰ ৰং-তুলিকাৰে সজাই তোলা হৈছে। আৰ্ট ফৰ নেচাৰ নামৰ এটা সংস্থাৰ শিল্পীসকলে উদ্যানখনৰ প্ৰতিটো বন্য জীৱ-জন্তুৰ ছবিৰে প্ৰৱেশদ্বাৰখন সজাই তুলিছে। চালে চকুৰোৱা এই ছবিসমূহে পৰ্যটকসকলক আকৰ্ষণ কৰিব।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। নলবাৰী হৰিমন্দিৰ, পাঠশালা, বজালী, টিহু, পাটাছাৰকুছি, শুৱালকুছি, মিৰ্জা, পলাশবাৰী, গুৱাহাটীৰ জাপৰিগোগ, নবীন নগৰ আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰাৰ বাবে প্ৰস্তুতি চলিছে। সন্ধিয়া বিভিন্ন অঞ্চলত স্থানীয় বয়োজ্যেষ্ঠ, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

০০০০০

বৰপেটা জিলাৰ বৰবিলাত কালিৰে পৰা শ্ৰীশ্ৰীপখলা গোসাই সভা মহোৎসৱ অনুষ্ঠিত হৈছে। পখলা গোসাই মন্দিৰত অনুষ্ঠিত এই মহোৎসৱত আজি মূল সভা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে হোম যজ্ঞ, বন্তি প্ৰজ্বলন, গোসাই ফুৰোৱা আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে ভগৱান বিষ্ণুৰ অংশ হিচাপে বৰবিলা গাওঁবাসীয়ে প্ৰতিবছৰে কাতি মাহৰ ১০ তাৰিখৰ পৰা পখলা গোসাইক পূজা অৰ্চনা কৰাৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩৫ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰিছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আবেলি আঢ়ৈ বজাৰ পৰা এই খেলখনৰ হিন্দী আৰু ইংৰাজীত চলন্ত বিৱৰণী প্ৰচাৰ কৰিছে।

০০০০০

সমাপ্ত